NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 05-05-2026
**Time :** 1340 HRS.

*Assamese Midday Bulletin*

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত হোৱা আক্ৰমণাত্মত ৩ গৰাকী ভাৰতীয় নাগৰিক আহত হোৱা ঘটনাক তীব্ৰ গৰিহনা দিয়ে।

২। পাৰস্পৰিক সহযোগিতা বৃদ্ধি ভাৰত আৰু জামাইকাৰ মাজৰ অংশীদাৰিত্বৰ শক্তিশালী স্তম্ভ বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে মন্তব্য কৰে।

৩। আমেৰিকা আৰু ইৰানে উপসাগৰীয় অঞ্চলত নতুনকৈ পুনৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰাৰ ফলত হৰমুজ প্ৰণালীৰ নিয়ন্ত্ৰণক লৈ উত্তেজনা বৃদ্ধি পাইছে।

৪। দিল্লী আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান চলাই উত্তৰাখণ্ডৰ পৰা ৫ জন অপৰাধীক গ্ৰেপ্তাৰ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰত হোৱা আক্ৰমণাত্মক ঘটনাত ৩ গৰাকী ভাৰতীয় নাগৰিক আহত হোৱা বিষয়ৰ তীব্ৰ গৰিহনা দিয়ে। এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে সাধাৰণ মানুহক আৰু আন্তঃগাঁথনি ধ্বংস কৰাৰ লক্ষ্যৰে কৰা আক্ৰমণ কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। তেওঁ কয়, যে ভাৰত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ সমৰ্থনত থিয় দিছে আৰু ভাৰতে আলোচনাৰ মাধ্যমেৰে সকলো বিষয়েৰে শান্তিপূৰ্ণভাৱে সমাধানত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আঞ্চলিক শান্তি, স্থিৰতা আৰু গোলকীয় শক্তি সুৰক্ষা সুনিশ্চিত কৰিবলৈ হৰমুজ প্ৰণালীৰ মাজেৰে নিৰাপদ পৰিবহণ নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে।

উল্লেখযোগ্য যে, কালি সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ ফুজাইৰাহ পেট্ৰ'লিয়াম ঔদ্যোগিক ক্ষেত্ৰত ইৰাণৰ ড্ৰোন আক্ৰমণৰ ফলত হোৱা অগ্নিকাণ্ডত ৩ গৰাকী ভাৰতীয় নাগৰিক আহত হয়।

০০০০০০

পাৰস্পৰিক সহযোগিতা বৃদ্ধি ভাৰত আৰু জামাইকাৰ মাজৰ অংশীদাৰিত্বৰ শক্তিশালী স্তম্ভ বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে মন্তব্য কৰিছে। জামাইকাৰ বিদেশ মন্ত্ৰী কামিনা জনছন স্মিথ আৰু অন্য কেবিনেট মন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত ড° জয়শংকৰে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দুয়ো দেশৰ মাজত আলোচনা সৰ্বাত্মক আৰু বিষয়নিষ্ঠ হৈছে আৰু দ্বিপাক্ষিক সম্পৰ্ক বিভিন্ন বিষয়ে সামৰি লোৱাৰ লগতে পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ বাবে ন ন ক্ষেত্ৰত সন্ধান লাভ কৰা হৈছে। দুয়ো দেশে

কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰাৰ লগতে ডিজিটেল ৰূপান্তৰ, সাংস্কৃতিক বিমিনয়, ক্ৰীড়া আৰু ডিজিটেল লেনডেনৰ ক্ষেত্ৰত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিৰ ইতিমধ্যে সঠিকভাৱে ৰূপায়ণ হোৱা সন্দৰ্ভতো আলোচনা কৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ডং জয়শংকৰে চলিত বছৰৰ মাৰ্চত দেশখনৰ কিটছন নগৰত সফলতাৰে সম্পূৰ্ণ হোৱা গ্ৰাম্য জীৱিকা উন্নীত কৰণ প্ৰকল্পৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ সাহায্যৰে আৰু ভাৰত ৰাষ্ট্ৰসংঘ উন্নয়ন অংশীদাৰিত্ব পুঁজিৰ এক নিযুত ডলাৰ বিনিয়োগেৰে এই প্ৰকল্প ৰূপায়ণ কৰা হয়। এই প্ৰকল্পই দুশ গৰাকীতকৈও অধিক ব্যক্তিক প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়োৱাৰ লগতে নগৰখনত ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে বুলি তেওঁ কয়। তদুপৰি মেলিছা ঘূৰ্ণী বতাহৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱা জামাইকাক সহযোগিতা আগবঢ়াই ভাৰতে গৌৰৱ অনুভৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ডং জয়শংকৰে কয় যে শেহতীয়াকৈ ভাৰত আৰু জামাইকাই ভাৰত-কেৰিকম উন্নয়ন অংশীদাৰিত্ব কাৰ্যসূচীৰ অধীনত কাৰু শিল্পীসকলৰ সৱলীকৰণৰ বাবে কেন্দ্ৰপ্ৰতিষ্ঠা কৰাৰ সন্দৰ্ভত আলোচনা কৰি আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী জয় শংকৰে জামাইকাৰ ইউনিভাৰ্ছিটী অব দ্যা ৱেষ্ট ইণ্ডিজত ৰূপান্তৰমুখী বিশ্ব সন্দৰ্ভত প্ৰদান কৰা বক্তৃতাৰ বিষয়ে উল্লেখ কৰে।

০০০০০০

আমেৰিকা আৰু ইৰানে উপসাগৰীয় অঞ্চলত নতুনকৈ পুনৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ কৰাৰ ফলত হৰমুজ প্ৰণালীৰ নিয়ন্ত্ৰণক লৈ উত্তেজনা বৃদ্ধি পাইছে। ইয়াৰ লগতে এই কাৰ্যই ইতিমধ্যে ভংগুৰ ৰূপ লোৱা যুদ্ধ বিৰতি চুক্তিকো অৱমাননা কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আবদ্ধ টেংকাৰ আৰু বাণিজ্যিক জাহাজসমূহক কৌশলগত জলপথেৰে পাৰ কৰি নিয়াত সহায় হোৱাকৈ প্ৰজেক্ট ফ্ৰীডম পদক্ষেপ লোৱাৰ পাছতে ড্ৰোণ আৰু ক্ষেপণাস্ত্ৰৰে আক্ৰমণ-প্ৰত্যাক্ৰমণৰ সূচনা হয়। যোৱা ফেব্ৰুৱাৰীত আৰম্ভ হোৱা এই সংঘাটৰ ফলত ইতিমধ্যে সহস্ৰাধিক লোকে প্ৰাণ হেৰুৱাইছে। সংগঠনটোৱে প্ৰকাশ পোৱা মতে আমেৰিকাই ইৰাণৰ ছখন ক্ষুদ্ৰ সামৰিক নাও ধ্বংস কৰা বুলি প্ৰকাশ পোৱাৰ পাছতে ইৰাণৰ ক্ষেপনাস্ত্ৰ আক্ৰমণত সংযুক্ত আৰব-আমীৰী ৰাষ্ট্ৰৰ তৈল ঘাটিত অগ্নিকাণ্ডৰ সূচনা হয়। বিগত কেইবা সপ্তাহ ধৰি আমেৰিকাৰ নৌ সেনাই ইৰাণৰ ওপৰত সামুদ্ৰিক অৱৰোধ কৰি আহিছে আৰু ইৰাণে এই কাৰ্যক যুদ্ধসদৃশ বুলি গৰিহণা দি আহিছে। ইৰাণৰ বিদেশ মন্ত্ৰী আববাছ আৰাকছিয়ে কয়, যে এই জটিল পৰিস্থিতিৰ কোনো সামৰিক সমাধান পৰিলক্ষিত হোৱা নাই। শান্তি আলোচনা প্ৰক্ৰিয়া চলি আছে বুলি উল্লেখ কৰি তেওঁ আমেৰিকা আৰু আৰব আমীৰী ৰাষ্ট্ৰক এনে সংঘাটত লিপ্ত হৈ নাথাকিবলৈ সতৰ্ক কৰি দিছে।

০০০০০০

অসম বিধানসভা নিৰ্বাচন ২০২৬ত কালি ঘোষণা কৰা ফলাফল অনুসৰি ভাৰতীয় জনতা পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। দলটোৱে ৰাজ্যখনৰ মুঠ ১২৬টা সমষ্টিৰ ভিতৰত ৮২টাত জয়লাভ কৰে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯, অসম গণ পৰিষদে ১০, বড়োলেণ্ড পিপলছ ফ্ৰণ্টে ১০, অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টে ২, ৰাইজৰ দলে ২ আৰু অল ইণ্ডিয়া তৃণমূল কংগ্ৰেছে এখন আসনত জয়লাভ কৰে।

নিৰ্বাচনত বিজেপিয়ে লাভ কৰা এই অভূতপূৰ্ব সাফল্যৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰি ডং হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে কয়, যে ৰাজ্যবাসীৰ আশীৰ্বাদত এই নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ ১০২ গৰাকী প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰি ইতিহাস ৰচনা কৰিলে। উল্লেখযোগ্য যে, জালুকবাৰী সমষ্টিৰ পৰা ডং শৰ্মাই ৮৯ হাজাৰ ৪৩৪টা ভোটত বৃহৎ জয় সাব্যস্ত কৰে। এখন বিকশিত নতুন অসম গঢ়াৰ লক্ষ্য পূৰণৰ দিশে কাম কৰি

যাবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি ড° শৰ্মাই প্ৰতিগৰাকী বিজয়ী প্ৰাৰ্থীক অভিনন্দন জ্ঞাপন কৰে। ফলাফল ঘোষণাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত তেওঁ চৰকাৰৰ পৰৱৰ্তী কাৰ্যকালত ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ পৰিকল্পনাৰ বিষয়ে সদৰী কৰে।

ইপিনে অসমত এন ডি এৰ এই অভূতপূৰ্ব বিজয় প্ৰসংগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এই বিজয়-বিকাশ আৰু জনকল্যাণৰ ৰাজনীতিৰ প্ৰতি জনতা জনাৰ্দনৰ অটুত বিশ্বাসৰ প্ৰতীক। জনসাধাৰণলৈ ধন্যবাদ জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে অসমৰ সৰ্বাঙ্গীণ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিৰন্তৰভাৱে কাম কৰি যাব বুলিও সামাজিক মাধ্যমৰ জৰিয়তে উল্লেখ কৰে।

কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে এইবেলি প্ৰদেশ কংগ্ৰেছৰ অধ্যক্ষ তথা সাংসদ গৌৰৱ গগৈক সন্মুখত ৰাখি বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও সচেতন ভোটদাতাৰ দৃষ্টি নিবদ্ধ হৈ থকা যোৰহাট সমষ্টিত গৌৰৱ গগৈ ২৩ হাজাৰ ১৮২টা ভোটত পৰাজিত হয়। সমষ্টিটোত বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীয়ে ৬৯ হাজাৰ ৪৩৯টা ভোট লাভ কৰে।

০০০০০০

দিল্লী আৰক্ষীয়ে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অভিযান চলাই উত্তৰাখণ্ডৰ পৰা ৫ জন অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ উপ আয়ুক্ত ৰাজীৱ কুমাৰে কয়, যে এই অভিযুক্ত কেইজন অবৈধ অনলাইন বিনিয়োগ কাৰ্যত জড়িত আছিল। তেওঁ কয়, যে অভিযুক্ত চাইবাৰ অপৰাধৰ লগত জড়িত আৰু বেংক গ্ৰাহকৰ একাউণ্টৰ পৰা ধন হৰলুকী কাৰ্যত জড়িত আছিল। আৰক্ষীৰ উপ আয়ুক্তগৰাকীয়ে কয়, যে অনলাইন বিনিয়োগ মঞ্চৰ জৰিয়তে এই প্ৰৱঞ্চক কেইজনে সমগ্ৰ দেশতে প্ৰৱঞ্চনাৰ জাল পাতি ভালেসংখ্যক লোকক প্ৰৱঞ্চনা কৰি আহিছিল।

০০০০০০

মণিপুৰত সুৰক্ষা বাহিনীয়ে যোৱা ২৪ ঘণ্টাত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ উদ্ধাৰ কৰাৰ লগতে নিষিদ্ধ সংগঠনৰ সৈতে জড়িত দুজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। আৰক্ষী প্ৰশাসনে প্ৰকাশ কৰা তথ্য অনুসৰি থৌবাল জিলাৰ লৈচাংথেং ইকোপ পাত অঞ্চলত তালাচী অভিযান চলাই সুৰক্ষা বাহিনীয়ে বৃহৎ অস্ত্ৰ ভাণ্ডাৰ উদ্ধাৰ কৰে। উদ্ধাৰ কৰা সামগ্ৰীসমূহৰ ভিতৰত এটা কাৰ্বাইন, গুলী, চাৰিটা ৰাইফল, এটা পিষ্টলকে ধৰি ভালেমান অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে। সুৰক্ষা বাহিনীয়ে কে ৱাই কে এলৰ এজন সদস্যক গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ পৰা এটা মোবাইল ফোন আৰু নথি পত্ৰ জব্দ কৰা হৈছে। ইয়াৰ পূৰ্বে কাচিং জিলাৰ ৱাইকং থানাৰ অধীনৰ চুগুনু পথত চলোৱা এটা অভিযানত কে চি পিৰ এজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰা হয়। তেওঁৰ পৰা এখন বাহন আৰু মোবাইল ফোন জব্দ কৰা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত দেলহী কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে বান্ধি দিয়া ২২৯ ৰানৰ লক্ষ্য মুম্বাইয়ে ১৮ অভাৰ আৰু ৪টা বলত ৪টা উইকেট হেৰুৱাই অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৱে নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২২৮ ৰান কৰে। মুম্বাইৰ ৰায়ান ৰিকাল্টনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

এই জয়ৰ সুবাদত মুম্বাই ইণ্ডিয়ানছ প্ৰতিযোগিতাৰ পইণ্টছ তালিকাৰ ষষ্ঠ স্থানলৈ উন্নীত হৈছে। দলটোৱে এতিয়াও প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা সজীৱ কৰি ৰাখিছে। ইপিনে এই পৰ্যন্ত ৯ খন খেলৰপৰা মাত্ৰ ৪ পইণ্টহে অৰ্জন কৰা লক্ষ্ণৌ দলটোৰ প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা প্ৰায় নিৰ্বাপিত হৈছে।

০০০০০০

**সমাপ্ত**